**2021**

( Held in 2022 )

# ASSAMESE

( Major )

Paper : 1.1

( Non-CBCS )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) 'লখিমী সবাহৰ গীত'—কোন শ্ৰেণীৰ লোকগীত ?

(খ) প্ৰাচীনতম বুৰঞ্জীমূলক আখ্যানগীত কোনটো ?

(গ) ষোড়শ শতিকাৰ কোনখন বিখ্যাত গ্ৰন্থত কামৰূপ তন্ত্ৰ-মন্ত্ৰ আৰু ইন্দ্ৰজাল-বিদ্যাৰ কেন্দ্ৰস্থান বুলি উল্লিখিত হৈছে ?

(ঘ) হেমসৰস্বতীয়ে কোনগৰাকী ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল ?

(ঙ) হৰিবৰ বিপ্ৰৰ তৃতীয়খন যুদ্ধকাব্যৰ নাম কি ?

(চ) 'হেজাৰী ঘোষা' বুলি কোনখন গ্ৰন্থক কোৱা হয়?

(ছ) শংকৰদেৱৰ 'ভক্তি ৰত্নাকৰ' গ্ৰন্থৰ ভাষা কি?

(জ) ৰামসৰস্বতীৰ পিতৃদত্ত নাম কি?

(ঝ) কায়থেলী বা লহকৰী লিপিত লিখা এখন পুথিৰ নাম লিখা।

(ঞ) সুৰেন্দ্ৰ বৰ্মাৰ উমাচলৰ শিলালিপি কোন সময়ৰ লিপি?

২। এটা বা দুটা বাক্যত উত্তৰ দিয়া : ২×৫=১০

(ক) 'কাহিনীগীত' বা 'আখ্যানগীত'ৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) কোন দুগৰাকী কবিয়ে, কোন দুটা কাণ্ড ৰচনা কৰি মাধৱ কন্দলীৰ 'সপ্ত কাণ্ড ৰামায়ণ'খন সম্পূৰ্ণ কৰিছিল?

(গ) অসমীয়া নাট্য-সাহিত্যৰ জনক কোন? তেওঁ ৰচনা কৰা প্ৰথম নাটখনৰ নাম কি?

(ঘ) ৰুদ্ৰ কন্দলীৰ পৃষ্ঠপোষক ৰজা কোন? ৰুদ্ৰ কন্দলীয়ে ৰচনা কৰা কাব্যখনৰ নাম কি?

(ঙ) মধ্যযুগীয় অসমীয়া লিপিৰ প্ৰথম নিদৰ্শন বুলি কোনখন লিপিক কোৱা হয়? এইখন লিপি কোন স্থানত উদ্ধাৰ হৈছে?





৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) নগাজৰী খনিকৰ গাঁৱৰ প্ৰস্তৰ খণ্ডলিপিৰ বিষয়ে এটি চমু টোকা প্ৰস্তুত কৰা।

(খ) "প্ৰবাদ-প্ৰবচনবোৰত একোটা সাৰগৰ্ভ সত্য বা অভিজ্ঞতা প্ৰকাশ কৰিব পৰা শক্তি নিহিত হৈ থাকে।" কথাষাৰ প্ৰতিপন্ন কৰা।

(গ) 'প্ৰহ্লাদ চৰিত্ৰ' কাব্য সম্পৰ্কে লিখা।

(ঘ) 'পাঁচালি কাব্য'ৰ বিশেষত্বসমূহ চমুকৈ লিখা।

(ঙ) অসমীয়া সাহিত্যৰ ইতিহাসত চৰ্যাপদৰ গুৰুত্ব বিচাৰ কৰা।

(চ) লোকসাহিত্যৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

৪। (ক) "লোকগীতসমূহ চহাপ্ৰাণৰ মুক্ত পৰিস্ফুৰণ আৰু আদিম আৰু মৌলিক ভাৱাবেগৰ অকৃত্ৰিম প্ৰকাশ।" এই কথাষাৰৰ আধাৰত অসমীয়া লোকগীতৰ স্বৰূপ বিচাৰ কৰা। ১০

*অথবা*

(খ) অসমীয়া মন্ত্ৰ-সাহিত্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৫। (ক) 'সপ্ত কাণ্ড ৰামায়ণ'ৰ আধাৰত মাধৱ কন্দলিৰ কবি-প্ৰতিভা বিচাৰ কৰা। ১০

*অথবা*

(খ) ''সাহিত্যৰ ৰস সৃষ্টি প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ সাহিত্যৰ মূল উদ্দেশ্য আছিল।'' কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

৬। (ক) শংকৰদেৱৰ নাট্য-সাহিত্য সম্পৰ্কে বিচাৰ কৰা। ১০

*অথবা*

(খ) পাঁচালী কবিসকলৰ লৌকিক সাহিত্যৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

৭। (ক) খৃষ্টীয় পঞ্চম শতিকাৰ পৰা দ্বাদশ শতিকালৈ অসমীয়া লিপিৰ গতি-প্ৰকৃতি বিচাৰ কৰা। ১০

*অথবা*

(খ) মধ্যযুগীয় অসমীয়া লিপিৰ ভিন্নতা আৰু বৈশিষ্ট্য বিচাৰ কৰা।

★★★